## সাহিত্য অকাডেমীৰ প্ৰাক্তন সভাপতি

# খ্যাতনামা উড়িয়া সাহিত্যিক ৰমাকান্ত ৰথৰ প্ৰয়াণ

ভুবনেশ্বৰ, ১৬ মাৰ্চ ঃ ভাৰতীয় সাহিত্য জগতৰ এগৰাকী পুৰোধা ব্যক্তি, প্ৰখ্যাত উড়িয়া সাহিত্যিক, পদ্মভূষণপ্ৰাপক ৰমাকান্ত ৰথৰ আজি ভুবনেশ্বৰৰ খাৰৱেলা নগৰৰ স্বগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯১ বছৰ। উড়িয়া সাহিত্য জগতৰ প্ৰখ্যাত ব্যক্তিসকলৰ অন্যতম ৰথে ৰেভেনশ্ব বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। ১৯৫৭ চনৰ আই এ এছ বিষয়া ৰথে উড়িয়া কবিতা জগতলৈ বৈপ্লৱিক পৰিবৰ্তন আনিছিল। তেওঁৰ প্ৰখ্যাত সৃষ্টিসমূহৰ ভিতৰত অন্যতম হ'ল— কেটে দিনাৰ, সন্দিগ্ধ মৃগয়া, সপ্তম ঋতু, সচিত্ৰ অন্ধাৰ, শ্ৰীৰাধা। শ্ৰীৰাধাৰ বাবে তেওঁ সৰস্বতী সন্মান লাভ কৰিছিল। ১৯৭৭ চনত সাহিত্য অকাডেমী, ১৯৮৪ চনত সৰলা সন্মান, ২০০৯ চনত সাহিত্য অকাডেমী ফেলশ্বিপ, ২০০৬ চনত পদ্মভূষণ লাভ কৰা ৰথ ১৯৯৮ চনৰ পৰা ২০০৩ চনলৈ সাহিত্য অকাডেমীৰ সভাপতি হিচাপে দায়িত্ব পালন কৰিছিল। ৰথৰ মৃত্যুত ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ



মাঝিয়ে শোক প্ৰকাশ কৰি সাহিত্যিকগৰাকীৰ শেষকৃত্য সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰাৰ নিৰ্দেশ দিয়ে।